# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়




## ন-দিগন্তৰ সন্ধানত ...

শিক্ষা এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। শিক্ষা অবিহনে আমি আমাৰ ভৱিষ্যতৰ কথা ভাবিবই নোৱাৰোঁ। গতিকে জাতিক শক্তিশালী কৰিবৰ বাবেও সমাজৰ বিভিন্ন স্তৰত বহু বিজ্ঞ সমাজ সচেতকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যৰ লগতে ডিব্ৰুগড়তো ইয়াৰ ব্যতিক্ৰম নাছিল। পঞ্চাছ দশকতেই ডিব্ৰুগড়ত উচ্চ শিক্ষা ভেটি গঢ়াৰ কুচকাৱাজ আৰম্ভ হৈছিল। বিশিষ্ট শিক্ষাবিদ অশ্বিনী চৰণ চৌধুৰী, ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্ত, হনুমানবক্স কানৈ, লালচন্দ কানৈৰ দৰে ব্যক্তিসকলে ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰাত আগভাগ লৈছিল। উজনিৰ উচ্চ শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত অনবদ্য অৱদান আগ বঢ়োৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ১৯৪৫ চনত প্ৰতিষ্ঠা কৰা হয়। ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ কটকটীয়া শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব পালন কৰিছিল ড° যোগীৰাজ বসুৰ দৰে বিশিষ্ট প্ৰাচাত্যবিদে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ড° লক্ষ্মীপ্ৰসাদ দত্তই অধ্যক্ষৰ দায়িত্ব পালন কৰে। ফলস্বৰূপে অতি কম সময়ৰ ভিতৰতে ডিব্ৰুগড় হনুমানক্স সুৰজমল কানৈ মহাবিদ্যালয়ে সমগ্ৰ দেশতে নিজৰ এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হয়। কিন্তু সম্প্ৰতি লক্ষ্য কৰিলে এটা কথা অনুভৱ কৰিব পাৰি যে মহাবিদ্যালয়ৰ পূৰ্বৰ গৰিমা ৰক্ষা কৰাত কিছু হীন-দেঢ়ি হৈছে। গতিকে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ গুণ-গৰিমা পুনৰ ওভতাই আনি পূৰ্বৰ ঐতিহ্য অটুট ৰখাৰ বাবে আমি ৰাজহুৱাভাৱে অংগীকাৰবদ্ধ। কানৈ মহাবিদ্যালয়ক সঠিক দিশেৰে আগবঢ়াই নিয়াৰ বাবে আমাৰ এক সপোন আছে। নিশ্চিতভাৱে বহু পৰিকল্পনাও ইতিমধ্যে অংকন কৰিছোঁ। বিশ্বৰ মানচিত্ৰত মহাবিদ্যালয়খনক সবলভাৱে প্ৰতিষ্ঠা কৰিব পৰাকৈ গঢ়ি তোলাৰ এক মন লৈ আমি আগবাঢ়িছো। কাৰণ কানৈ মহাবিদ্যালয়ে এখন বিশ্ববিদ্যালয় জন্ম দিয়াৰ ইতিহাস সৃষ্টি কৰি থৈছে।



**স্থবিৰতা ভাঙি কৰ্ম-সংস্কৃতিৰ পৰিৱেশ ৰচনাৰ সংকল্প ...**

১৯ জুন, ২০১৫ চন। সেই দিনটো মোৰ বাবে এক চিৰস্মৰণীয় দিন। কাৰণ সেইদিনাই ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰোঁ। ইয়াৰ পূৰ্বে গুৱাহাটীৰ দিছপুৰ কলেজ আৰু ডিব্ৰুগড়ৰ


প্ৰৱেশদ্বাৰ নতুন


প্ৰৱেশদ্বাৰ পুৰণি


মূল ভৱন নতুন


মূল ভৱন পুৰণি


চাইকেল ষ্টেণ্ড নতুন


চাইকেল ষ্টেণ্ড পুৰণি


ছাত্ৰী নিবাসলৈ যোৱা নতুন পথ

ডিব্ৰু কলেজত অধ্যাপকৰূপে সেৱা আগবঢ়োৱাৰ পাছত পৃথিৱী বিখ্যাত নদী দ্বীপ মাজুলীলৈ যাত্ৰা। ঐতিহ্যপূৰ্ণ মাজুলী মহাবিদ্যালয়ত তিনি বছৰ তিনি মাহ অধ্যক্ষৰূপে সেৱা আগবঢ়োৱাৰ পাছত অসমৰ অন্যতম পুৰণি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ চৰকাৰে পুনৰ অধ্যক্ষ হিচাপে বদলি কৰে। জীৱনৰ এক পৰিক্ৰমা সেয়া মোৰ। বিভিন্ন অভিজ্ঞতা আহৰণ কৰি কানৈ মহাবিদ্যালয়ত যোগদান কৰি অনুভৱ হৈছিল যেন এটা সমস্যাৰ পাহাৰৰ ওপৰত থিয় দিলোঁহি। সৰ্বদিশতে সমস্যাই জুৰুলা কৰি হাবু-ডুবু খাই থকা মহাবিদ্যালয়খনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে মনত সাহস গোটাই লৈছিলোঁ। যি ফালেই চাওঁ সেই ফালেই কেৱল সমস্যা। ফটা-চিটা মজিয়া, চিলিঙৰ বিধ্বস্ত ৰূপ আৰু অধিকাংশ কোঠাই ব্যৱহাৰৰ অনুপযোগী। অধ্যাপকসকলৰ সেৱাৰ মনোভাৱ দেখি মনত সাহস গোটাই লৈছিলো। ক'ৰপৰা আৰম্ভ কৰোঁ উন্নয়নৰ যাত্ৰা। পৰিচালনা সমিতিৰ স'তে আলোচনা কৰিলোঁ। জ্যেষ্ঠ অধ্যাপকসকলৰো পৰামৰ্শ ল'লোঁ। কৰ্মই ধৰ্ম। এই আপ্ত বাক্যশাৰী সাৰোগত কৰি এটি এটিকৈ আগ বঢ়াই নিলো উন্নয়নৰ কাম। ছাত্ৰী নিৱাস প্ৰতিষ্ঠা হৈছিল ১৯৫৭ চনত। ছাত্ৰী নিৱাসলৈ যোৱা পথটো দেখি হতভম্ব হৈছিলো। বোকা-পানী, গছ-বন। হাতত ললোঁ পথটোৰ উন্নয়নৰ কাম। মহাবিদ্যালয়ৰ চৌহদৰ আভ্যন্তৰিণ যি কেইটা পথ আছিল সেই কেইটাও ভাঙি-চিঙি বিধস্ত ৰূপ লৈছিল। সেইখিনি মেৰামতি কৰাৰ লগতে নতুনকৈ আভ্যন্তৰিণ পথ নিৰ্মাণ কৰা হয়। উৰলি যোৱা মজিয়া আৰু চিলিঙসমূহ পুনৰ মেৰামতি কৰি ৰং কৰা হয়। সৌন্দৰ্য বৰ্দ্ধনৰ ব্যৱস্থা কৰা হয়। মূল ভৱনটোৰ বাৰাণ্ডা, ছাত্ৰী জিৰণি কোঠা, অধ্যক্ষৰ কোঠালৈ অহা চিৰিৰ মজিয়া নষ্ট হৈ যোৱাৰ বাবে টাইলছ লগাই ব্যৱহাৰৰ উপযোগী কৰা হয়। পতাকা উত্তোলনথলী সজাই তোলা হয়। হাবি-জংঘলে ভৰি থকা চৌপাশ চাফা কৰাৰ লগতে মুখ্য প্ৰৱেশদ্বাৰ, সন্মুখৰ সীমাৰ বেৰ, গণিত বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, উদ্ভিদ বিজ্ঞান বিভাগ আৰু মূল ভৱনকে ধৰি প্ৰায় বিলাক ভৱনতে ৰং ঘহি উজ্বলাই তোলাৰ ব্যৱস্থা কৰা হয়। চাইকেল ষ্টেণ্ড সম্পসাৰণ কৰি উন্নত কৰা হয়। মূল ভৱনৰ সন্মুখত থকা মুকলি অংশ ট্ৰেক্টৰেৰে হাল বাই, মৈ মাৰি ৰুলাৰে সমান কৰি দেখিবলৈ সুন্দৰ কৰা হয়। শিক্ষক জিৰণি কোঠা ৰং কৰি সজাই তোলাৰ লগতে নতুনকৈ চকীৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ত পানী যোগানৰ বাবে ব্যৱস্থা কৰা হয়। চাহিদা অনুসৰি লাইট-ফেনৰ ব্যৱস্থা কৰা হয়। ছাত্ৰী নিৱাসৰ প্ৰায়বিলাক গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ পদক্ষেপ লোৱা হয়। বিভাগীয় মুৰব্বী আৰু গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ স'তে আলোচনা কৰি গ্ৰন্থাগাৰৰ বাবে প্ৰয়োজনীয় কামখিনি কৰাৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থাগাৰৰ বাবে কাকত-আলোচনীৰ সংখ্যা বৃদ্ধি কৰা হয়। ডেস্ক-বেঞ্চ নাটনিৰ ফলত শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি হৈছিল। সেয়ে এশ জোৰা ডেস্ক-বেঞ্চ নতুনকৈ আনি সমস্যা সমাধানৰ পদক্ষেপ লোৱা হয়। প্ৰয়োজন সংখ্যক বৰ্ডৰো যোগান ধৰা হয়। এই সমস্যাসমূহ বহু বছৰ ধৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰি আহিছিল। এইখিনি কাম প্ৰায় এমাহৰ ভিতৰতে যুদ্ধকালিন গতিৰে কৰা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে যথেষ্ট পুৰণি হৈ পৰা অসম আৰ্হিৰ ভৱনৰ প্ৰায়বিলাক কোঠাতে আজিও বৰষুণ পৰে। এনে দুৰৱস্থাই হতাশ কৰি তুলিলেও ২০২০ চনত মহাৰজত জয়ন্তী পালন কৰিবলৈ আগবাঢ়িব লগা হৈছে। পুঁজিৰ তীব্ৰ নাটনি স্বত্বেও মহাবিদ্যালয়খনৰ উন্নতিৰ দিশত ইতিমধ্যে যোগদানৰ দিনাৰেপৰাই প্ৰাৰম্ভিক কাম-কাজত হাত দিছোঁ। আনহাতে নতুন পাঠ্যক্ৰমৰো চিন্তা চৰ্চা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক পৰীক্ষা অৱতীৰ্ণ হ'ব পৰাকৈ নিয়মীয়া প্ৰশিক্ষণৰো চিন্তা-চৰ্চা কৰা হৈছে। ইফালে মহাবিদ্যালয়খনত বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী নামভৰ্তি কৰে যদিও সেইসকল ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত পৰিৱেশ পোৱা নাই বুলি অনুভৱ হয়। তথাপি এই মহাবিদ্যালয়ত ভৰি দিয়াৰ পাছতেই আমালৈ এক সুখবৰ আহে। ২০১৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলা শাখাত শ্ৰেষ্ঠ স্নাতকৰ সন্মান লাভ কৰে মহাবিদ্যালয়খনৰ কৃতী ছাত্ৰী দীপাৱলী কৰ্মকাৰে। নিশ্চিতভাৱে এই খবৰে আমাক অধিক কৰ্ম প্ৰেৰণা যোগাবলৈ সক্ষম হয়। আমাৰ তৰফৰ পৰা দীপাৱলীৰ ভৱিষ্যত জীৱনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। পৰৱৰ্তী দিনত ছাত্ৰ-ছাত্ৰীক দীপাৱলীৰ ফলাফলে উৎসাহ যোগাব বুলি আশা কৰিছোঁ।

### সুস্থ পৰম্পৰাত বিশ্বাসী

এখন মহাবিদ্যালয় উন্নতিৰ দিশত আগবাঢ়িব পাৰে তেতিয়াহে যেতিয়া মহাবিদ্যালয়খনত কৰ্মসংস্কৃতি গঢ় লৈ উঠে। কানৈ মহাবিদ্যালয় এই ক্ষেত্ৰত এক সুস্থ পৰম্পৰা আছে। তথাপিও আৰু যেন যথেষ্ট কৰিবলগা আছে। কৰ্ম সংস্কৃতিৰ বাবে প্ৰয়োজন মানবীয় সম্পৰ্ক। কাৰণ প্ৰতিজন ব্যক্তিয়ে ইজনে সিজনৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ প্ৰয়োজন আছে। নিজে আনক শ্ৰদ্ধা বা সন্মান কৰিব জানিলে তেওঁ আনৰ পৰা তেনে সন্মান লাভ কৰিব পাৰে। ঠেক গণ্ডীৰ মাজত আবদ্ধ হৈ থকা মানুহে কেতিয়াও আনক শ্ৰদ্ধা বা সন্মান কৰিব নাজানে। অৱশ্যে কানৈ মহাবিদ্যালয়ত এনে


ছাত্ৰী নিবাসলৈ যোৱা পুৰণি পথ


চাৰিসীমা দেৱালৰ নতুন ৰূপ


ছাত্ৰীৰ চাফাই অভিযান


পৰিচালনা

অসুস্থ পৰম্পৰা নাই। প্ৰত্যেকে প্ৰত্যেকক শ্ৰদ্ধা আৰু সন্মান কৰাই হ'ল কানৈ মহাবিদ্যালয়ৰ পৰম্পৰা।

**বিশ্ব মানৰ এখন কলেজ গঢ়াৰ সপোন আৰু কিছু পৰিকল্পনা**

প্ৰতিটো বিভাগে প্ৰতি বছৰে একোখনকৈ ছাত্ৰ-ছাত্ৰীৰ মাজত উচ্চ মানদণ্ডৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা, শ্ৰেণীকক্ষসমূহৰ উন্নতি সাধন কৰা, কৰ্মচাৰীসকলক কাম কৰাৰ উপযুক্ত পৰিৱেশ ৰচনা কৰা, আজিও এখন খেল পথাৰ নথকা মহাবিদ্যালয়খনৰ নিজা সৰ্বাধুনিক সা-সুবিধাসম্পন্ন খেলপথাৰৰ (playground) ব্যৱস্থা কৰা, এটা অলিম্পিক মানদণ্ডৰ শৰীৰ চৰ্চাকেন্দ্ৰ (Gym) প্ৰতিষ্ঠা কৰা, এটা অত্যাধুনিক সা-সুবিধাসম্পন্ন মঞ্চ সংলগ্ন প্ৰেক্ষাগৃহৰ (auditorium) ব্যৱস্থা কৰা, মহাবিদ্যালয় পৰ্যায়ৰ আভ্যন্তৰীণ ক্ৰীড়াঙ্গনৰ (indoor stadium) ব্যৱস্থা কৰা, এখন উদ্ভিদ উদ্যান (botanical garden) প্ৰতিষ্ঠা কৰা, মহাবিদ্যালয়ৰ খালী মাটিত মৎস্য উৎপাদন আৰু সৌন্দৰ্যবৰ্দ্ধনৰ উদ্দেশ্যে পুখুৰীৰ ব্যৱস্থা কৰা (ইয়াৰ যোগেদি দ ঠাইবোৰ ওখ কৰাৰ ব্যৱস্থা হ'ব।), উন্নত মানৰ যথেষ্ট সংখ্যক কম্পিউটাৰৰ সংযোগেৰে মহাবিদ্যালয়ত এটা পূৰ্ণাঙ্গ কম্পিউটাৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা, মহাবিদ্যালয়ত এখন ন'লেজ পাৰ্ক (knowledge park) প্ৰতিষ্ঠা কৰা, সময়োপযোগী নতুন নতুন বিষয় প্ৰতিষ্ঠা কৰা , মহাবিদ্যালয়ৰ চৌহদৰ অধিক সৌন্দৰ্যবৰ্দ্ধন কৰা, মহাবিদ্যালয়ৰ চৌহদত সুলভ মূল্যৰ সকলো সময়তে সেৱা লাভ কৰিব পৰাকৈ এখন কেণ্টিনৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ নিজা প্ৰকাশন গোট গঠন কৰা আৰু নিয়মীয়াকৈ গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ চৌহদত শিক্ষকৰ বাবে সুবিধাজনক আৱাসৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়খনক এখন স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰাৰ বাবে যত্ন, মহাবিদ্যালয়খনক এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠানলৈ উন্নীত কৰিবলৈ যত্ন কৰা, ডিব্ৰুগড় চহৰৰ লগতে অসমৰ সৰ্বসাধাৰণ তথা বৌদ্ধিক মহলৰ সৈতে সম্পৰ্ক উন্নত কৰা যাতে সকলোৱে মহাবিদ্যালয়খনক নিজৰ অনুষ্ঠান বুলি অন্তঃকৰণেৰে গ্ৰহণ কৰে, ক্লাষ্টাৰ পদ্ধতিত মহাবিদ্যালয়খনৰ জ্ঞানৰ প্ৰসাৰ কৰা, কাষৰীয়া মহাবিদ্যালয়সমূহৰ সৈতে শৈক্ষিক, সাংস্কৃতিক তথা ক্ৰীড়াৰ সম্পৰ্ক উন্নত কৰিবলৈ নিয়মীয়া ৰূপত আন্তঃমহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতা, কৰ্মশালা আৰু আলোচনাচক্ৰৰ ব্যৱস্থা কৰা, প্ৰতিষ্ঠাকালৰেপৰা মহাবিদ্যালয়খনৰ ইতিহাসৰ সৈতে জড়িত ব্যক্তিসকলক স্মৰণ কৰিবলৈ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উদ্যোগত গ্ৰন্থ অধ্যয়ন অভিজ্ঞতাৰ আদান-প্ৰদানৰ বৈঠকৰ ব্যৱস্থা, অসমৰ তথা ভাৰতৰ বিভিন্ন সাহিত্য-সংস্কৃতিৰ সংগঠনৰ মহাবিদ্যালয় শাখা প্ৰতিষ্ঠা কৰা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান আয়োজন কৰা, মহাবিদ্যালয়খনৰ সৈতে ভাৰতৰ তথা বিশ্বৰ বিভিন্ন বিশেষজ্ঞ ব্যক্তিৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা যাতে সেইসকলৰ পৰা মহাবিদ্যালয়খনে বৰঙণি লাভ কৰিব পাৰে। ইয়াৰোপৰি সম্প্ৰতি অনুপযোগী আৰু বন্ধ হৈ থকা ছাত্ৰাবাস পুনৰ মেৰামতি কৰি মুকলি কৰা, প্ৰায় বিধস্ত হৈ থকা প্ৰেক্ষাগৃহ ব্যৱহাৰৰ উপযোগী কৰা, বিজ্ঞানৰ চৰম উন্নতিৰ মূহুৰ্ত্ততো ডিজিটেল পাঠদানৰ পৰা বঞ্চিত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক তেনে সা-সুবিধা প্ৰদান কৰাৰ বাবে যত্ন কৰা, গৱেষণাৰ পৰিৱেশ সৃষ্টিৰ বাবে এটি শৈক্ষিক গৱেষণা কেন্দ্ৰ সংযোজন কৰা, নৃতত্ত্ব আৰু ইতিহাস বিভাগৰ উদ্যোগত এটি পূৰ্ণাংগ সংগ্ৰাহালয় প্ৰতিষ্ঠা কৰা আদি কামো আঁচনিৰ ভিতৰত ধৰা হৈছে। পুঁজি যোগান অনুসৰি এই কামসমূহ কৰাৰ বাবে মনস্থ কৰা হৈছে। শিক্ষক ছাত্ৰ-ছাত্ৰীসকলে যাতে কোনো সমস্যাৰ সন্মুখীন নহয় সেয়া সততে দৃষ্টি ৰাখি এখন সৰ্বাংগ সুন্দৰ মহাবিদ্যালয় গঢ়ি তোলাৰ সংকল্প লোৱা হৈছে। এখন মহাবিদ্যালয় সৰ্বাংগ সুন্দৰ হৈ উঠিব যেতিয়া ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষক তথা স্থানীয় ৰাইজ আৰু সংগঠন ব্যক্তিয়ে পূৰ্ণ সহযোগিতা আগবঢ়ায়। আশা কৰিছোঁ এনে সহযোগীতা সকলোৰে পৰা পাম। ইতিমধ্যে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৱে যিদৰে মোক আকোঁৱালি লৈছে সেয়া মই অভিভূত হওঁ। মোৰ যোগদানৰ দিনাই যিদৰে ডিব্ৰুগড়ৰ বিভিন্ন দল-সংগঠন, ব্যক্তি আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰী গোট, ছাত্ৰ একতা সভাকে ধৰি পৰিয়ালৰ সকলোৱে যিদৰে মোক সন্মান দিলে মই সেই দিনটো কেতিয়াও পাহৰিব নোৱাৰিম। সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। আমি নিশ্চিত — লক্ষ্য যদি সুনিৰ্দিষ্ট হয় আৰু পৰিকল্পনা সঠিক হয় তেন্তে গন্তব্য স্থানলৈ বেছি সময় অপেক্ষাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত মই ইতিবাচক সমালোচনাও আশা কৰোঁ। সমালোচকসকল মোৰ বাবে ভগৱান। তেওঁলোকক মই সদায়ে উচ্চ আসন দি আহিছো। নেতিবাচক সমালোচনা কৰাজনকো মই শ্ৰদ্ধা কৰি ভাল পাওঁ। সেয়ে মোৰ জীৱনৰ ব্ৰত। কানৈ মহাবিদ্যালয় এখন উন্নত মানদণ্ডৰ সুন্দৰ মহাবিদ্যালয় গঢ়াৰ সপোনেৰে বাট বোলা এই মুহূৰ্তত জীৱনৰ বাটত আগুৱাই যাওতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

ড° শশীকান্ত শইকীয়া
অধ্যক্ষ
ডিঃ এইচঃ এছঃ কানৈ মহাবিদ্যালয়


বাৰাণ্ডাৰ নতুন ৰূপ


চিৰিৰ নতুন ৰূপ


পূৰ্বৰ ভগ্ন বাৰাণ্ডা


মহাবিদ্যালয়ৰ চৌহদৰ এটি নতুন পথ


মহাবিদ্যালয়ৰ চৌহদৰ এটি পুৰণি পথ


বায়'টেক হাবৰ কৰ্মশালাত অধ্যক্ষ ড° শশীকান্ত শইকীয়া


পাৰ্বতীপ্ৰসাদ বৰুৱা গীতৰ কৰ্মশালাৰ সামৰণী অনুষ্ঠান


প্ৰাক্তন ৰাষ্ট্ৰপতি কালামৰ মৃত্যুত শোক প্ৰকাশ


সমিতিৰ সভা


কুইজ প্ৰতিযোগিতাৰ বঁটা-বিতৰণী অনুষ্ঠান


চাইকেল ষ্টেণ্ডত ৰং সনাত ব্যস্ত কৰ্মচাৰী



অসমীয়া খবৰ

পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতৰ কৰ্মশালা

৯ বছৰৰ বিৰতিৰ অন্তত কানৈ মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নিযুক্তি

সাহিত্যিক ডঃ শশীকান্ত শইকীয়াক বিপুল আদৰণি

কানৈ কলেজৰ নতুন অধ্যক্ষ শশীকান্ত শইকীয়া

দল-সংগঠনৰ বিপুল সংবৰ্ধনা

ডি এইচ এছ কে মহাবিদ্যালয়ত বিজ্ঞানক জনমুখী কৰাৰ পদক্ষেপ

ডিব্ৰুগড়ৰ ডিএইচএছকে কলেজত বিজ্ঞান শীৰ্ষক কৰ্মশালা

ডিব্ৰুগড় কানৈ কলেজত গীতৰ কৰ্মশালা

অসমীয়া খবৰ

ডিএইচএছকে কলেজত বিজ্ঞান বিষয়ক কৰ্মশালা

## আমাৰ চমু কাৰ্যকালত ভিজিটৰ বুকত লিপিবদ্ধ তিনিজন বিশিষ্ট ব্যক্তিৰ টোকা—

■ বিশিষ্ট সাংবাদিক, নিবন্ধকাৰ হেমন্ত কুমাৰ ভৰালীৰ কলমেৰে নিগৰিল— ড° শশীকান্ত শইকীয়া কানৈ কলেজৰ অধ্যক্ষ নিযুক্তি হোৱা বুলি জানি ইয়ালৈ আহিলো। পূৰ্বে তেওঁৰ মাজুলী কলেজলৈকো গৈছিলো। প্ৰায় তিনিটা বছৰৰ অশেষ পৰিশ্ৰমেৰে মাজুলী কলেজক কেনেকৈ তেওঁ অসমৰ আগশাৰীৰ বিদ্যায়তনিক কেন্দ্ৰ হিচাপে তিলতিলকৈ গঢ়ি তুলিছে, সেয়া দেখিছো। ড° শইকীয়াৰ স'তে মোৰ চিনাকি এটা দশকৰো আগত যোৱা পঁচিশ বছৰীয়া সাংবাদিকতাৰ জীৱনত তেওঁৰ দৰে উদ্যমী ব্যক্তি খুওব কমেই দেখিছো। এতিয়া আশা ৰাখিছো ড° শইকীয়াই কানৈ কলেজখনক সুন্দৰভাৱে গঢ়ি তুলিব। অসমৰ এই ঐতিহ্যমণ্ডিত কলেজখনৰ প্ৰতি সকলোৰে হেঁপাহ আছে। আমাৰ বিশ্বাস ড° শইকীয়াই অচিৰেই কানৈ কলেজৰ সেই ঐতিহ্য ঘূৰাই আনিব।

■ গ্ৰন্থ প্ৰকাশক, সমাজকৰ্মী শ্ৰীকান্ত ভৰালীৰ দৃষ্টিত—এজন বিশেষ সাহিত্যিক আৰু পৰিৱেশ কৰ্মী হিচাবে সুখ্যাতি থকা ড° শশীকান্ত শইকীয়া কানৈ কলেজৰ অধ্যক্ষ হিচাপে যোগদান কৰাত মই সচাঁকৈ বেছি সুখী হৈছো। মাজুলী কলেজৰ পৰা বদলি হৈ অহাত মাজুলী অঞ্চলৰে বিশেষ ক্ষতি হ'ল। কাৰণ শ্ৰীশইকীয়াদেৰে মাজুলী কলেজৰ বাবেও বহুতো কাম কৰি আহিছে। ডেকা ল'ৰা, বিশেষ কৰ্ম দক্ষতা আছে। কানৈ কলেজৰ সৰ্বতো প্ৰকাৰ উন্নতিৰ বাবে কাম কৰিব বুলি মোৰ আশা ও শুভেচ্ছা ৰ'ল।

■ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক ড° হৰেন্দ্ৰ নাথ দত্তই ব্যক্ত কৰিলে অনুভৱ— মই এই কলেজৰ প্ৰাক্তন ছাত্ৰ, ১৯৭১ চনত বি. এছচি. উত্তীৰ্ণ হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰিসংখ্যাত ডক্টৰেট লৈ সেই বিভাগতে শিক্ষকতা কৰি জ্যেষ্ঠ প্ৰাধ্যাপক ৰূপে ৬৪.৫ বছৰ বয়সত অৱসৰ লৈ আজি বিশেষ এটা কামত পত্নী সহ আহি ড° শশীকান্ত শইকীয়া, অধ্যক্ষক লগ ধৰো। কলেজখনৰ এটা নতুন ৰূপ শইকীয়াই কৰা দেখি ভাল লাগিছে। আশাকৰোঁ শইকীয়াই ডিব্ৰুগড়ৰ এই পুৰণা কলেজখনক শৈক্ষিক দিশত আগবঢ়াই জাকত জিলিকা কৰিব। যিখন কলেজৰ পৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জন্ম হ'ল, সেই কলেজ যেন জাকত জিলিকা হৈ প্ৰকৃত মানৱ সম্পদেৰে সৃষ্টিৰ উৎস হৈ পৰে।